REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

## NO. 26

The 29th March, 1979

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 26

Dated the 29th March, 1979.

CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 58 |
| 2. | Obituary Reference ... ... ... ... | 59— 60 |
| 3. | Adjournment ... ... | 61 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

---

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday, the 29th March, 1979 with the Hon. Deputy Speaker in the Chair, 10 ( ten ) Ministers, 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretries and 85 ( eighty five ) Members present.

---

## STARRED QUESTIONS AND ANSWERS

Date : 29th March, 1979

( To which oral answers were given )

---

Re : Sub-Inspector of Schools for Garo medium of Goalpara District

Shri Bilton G. Monin asked :—

*385. Will the Minister, Education be pleased to state—

Whether it is a fact that Sub-Inspector of Schools for Garo medium L. P. Schools in Goalpara District is a non-Garo personnel though qualified Garo candidates are available ?

Shri Lakshyadhar Choudhury ( Minister in-charge, Education ) replied :

385— The Sub-Inspector of Schools for Garo medium is a non-Garo and at the time of his appointment no Garo candidate was available.

Shri Bilton G. Monin :—Whether the honourable Minister is aware that an advertisement was made inviting applications from the Garo candidates for the post of Sub-Inspector of schools for Garo medium schools by Director of Elementary Education, but unfortunately appointment was made without calling for interview ?

Shri Lakshyadhar Choudhury ( Minister ) :— No Sir, we are examining the work load of Garo medium schools and a Garo Sub-Inspector would be appointed for those areas in due course, if occassion demand.

Shri Bilton G. Monin :— Sir, there is an advertisement issued by Govt. of Assam from the Office of the Director of Elementary Education. It runs, "applications are invited in prescribed form from the qualified candidates having minimum qualification of B.A: B.T: for a post of Garo Instructor in the B.T.C. ( Dhudnoi ) and a post of Sub-Inspactor of School for Garo medium schools in the scale of Rs. 325 to 650 p.m. plus other allowances as admissible under rules so as to reach the undersigned within 1st January, 1978. The candidates must not be less than 18 years and more than 32 years of age on 1.1. 8. "This advertisement was published by the Director of Elementary Education Shri P. C. Das on 15th December, 1977. I want to know why applications were invited and why uptil now no appointment was made. Whether the validity of the applications are in existence or these have been treated as cancelled ?

Shri Lakshyadhar Choudhury ( Minister ) :— It is still in existence and it will be there. There were some anomalies and we are examining those. There will be some posts of Sub-Inspector for General Education also.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় সদস্য গৰাকীয়ে যিটো এডভাৰটাইজমেণ্ট পঢ়ি শুনালে, এই এডভাৰটাইজমেণ্টৰ পাচত গাৰো

মিডিয়ামত শিক্ষিত লোক থকা স্বত্বেও কিয় জেনেৰেল লোকক নিয়োগ কৰা হ'ল, সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :—সেইটো ১৯৬২ চনতে এ, পি, এচ, টিৰ পৰা লোৱা হৈছিল। এতিয়া আৰু নতুনকৈ লোৱা হব যিহেতুকে ইনচটিটিউচন বিলাক বাঢ়িছে।

Shri Khagen Borbarua :—May I know what is the number of institutions belonging to Garo midium schools ?

Shri Lakshyadhar Choudhury ( Minister ) :— At present, I do not have the number with me. I can furnish the information after collecting the information from the remote villages.

শ্ৰীজগত চন্দ্ৰ পাটগিৰি :— মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় নিশ্চয় জানে যে, কামৰূপ গোৱালপাৰাত গাৰো মিডিয়ামৰ স্কুল আছে। বিশেষকৈ দক্ষিণ গোৱালপাৰাত কেইবাখনো গাৰো মিডিয়ামৰ এল, পি স্কুল আছে। গতিকে এজন এচ, আইয়ে কন্‌ট্ৰোল কৰিব নোৱাৰে। তাত এজনৰ ঠাইত তিনিজন দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাত গাৰো বি, এ পাচ কৰা ল'ৰা বহুতো আছে আৰু তেওঁলোক এ, এচ, আই পষ্টৰ কাৰণে কেইবাবাৰো এপ্লাচ কৰিছে, কিন্তু এতিয়ালৈ একো কৰা হোৱা নাই। আনহাতে দুধনৈ বেচিক ট্ৰেনিং চেণ্টাৰত জেনেৰেল পষ্টত গাৰো মানুহ আছে। কিন্তু গাৰো মিডিয়ামৰ যি ক্লাছ আছে সেইটো চলি আছে

অথচ মানুহ নাই। তাৰ কিবা ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এ, এচ, আই লোৱাৰ কথা সক্ৰিয় বিবেচনা কৰিছো। আৰু বেচিক ট্ৰেনিংৰ কথাটো বিবেচনা কৰি চাম।

শ্ৰীবীৰেণ চৌধুৰী :— গাৰো সম্প্ৰদায়ৰ কাৰণে কৰা অনুষ্ঠান, জনজাতীয় লোক সকলে বসবাস কৰা ঠাই বিলাকত তেওঁলোকৰ অনুষ্ঠান বিলাকত যি সুবিধা দিয়া হয় সেই একে সুবিধা গাৰো শিক্ষা অনুষ্ঠান বিলাকত দিয়া হয় নে নহয় ? আৰু যদি দিয়া নহয় তেনেহলে কিয় দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— দিয়া নোহোৱা কথা নুঠে, সকলো স্কুলতে আমি সুবিধা দিব লগা হয়। সেইকাৰণে গাৰো স্কুল বিলাকত সুবিধা দিব পৰা হোৱা নাই। বৰ্ত্তমান গাৰো স্কুল বিলাকৰ কাৰণে যিটো ব্যৱস্থা লব খুজিছো, সেইটো সম-পৰ্য্যায়ত আনিবৰ কাৰণে বিবেচনা কৰিছো।

শ্ৰীবীৰেণ চৌধুৰী :— কি কি সুবিধা দিবলৈ বিচৰা হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— পঢ়িবলৈ যিখিনি সুবিধা দিব লাগে, বহা-মেলা যিখিনি সুবিধা লাগে, পঢ়া-মেলা কাৰণে যিখিনি উপযুক্ত অৰ্হতা দিব লাগে সেইখিনি দিয়া হব।

Shri Fakrul Islam :— How long it will take to estimate the work load of the Garo medium schools ?

The advertisement has been made more than one year ago.

Shri Lakshyadhar Choudhury ( Minister ) :— Not one year, but it is two years earlier. It is not meant for Garo Language only, it is meant for other language also.

Shri Fakrul Islam :—How long it will take to make the appointment ?

Shri Lakshyadhar Choudhury ( Minister ):—Within this year.

Shri Jainal Abedin :—Has the present S.I. acquired exceptional knowledge in Garo language ?

Shri Lakshyadhar Choudhury ( Minister ) : Yes, he is expert in the language.

বিষয় ঃ গোলোকগঞ্জ কৃষি পাম

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

*৩৮৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব'নে—

(ক) গোলোকগঞ্জ সমষ্টিৰ বীজ নিগমৰ অধীনস্থ গোলোকগঞ্জ কৃষি পামত মুঠ কিমান বিঘা মাটি আছে?

(খ) উক্ত মাটিৰ কিমান বিঘা খেতিৰ উপযোগী?

(গ) কোনো ধৰ্ম্ম প্ৰতিষ্ঠানলৈ উক্ত পামৰ মাটি দিয়া হৈছে নেকি?

(ঘ) চিলাৰাই কলেজ প্ৰতিষ্ঠাৰ বাবে উক্ত পামৰ পৰা কিমান বিঘা মাটিৰ আবেদন চৰকাৰে পাইছে?

(ঙ) উক্ত আবেদন মঞ্জুৰ কৰা হবনে?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৩৮৭। (ক)—অসম বীজ নিগমৰ অধীনত থকা গোলোকগঞ্জ কৃষি পামত সৰ্ব্বমুঠ ২৯৭ বিঘা মাটি আছে।

(খ)—খেতিৰ উপযোগী মাটিৰ পৰিমাণ হ'ল ২৩৭ বিঘা।

(গ)—দিয়া হোৱা নাই।

(ঘ) আৰু (ঙ)—চিলাৰায় কলেজৰ বাবে চৰকাৰে উক্ত মাটিৰ পৰা ২০ বিঘা মাটি দিয়াৰ আবেদন পাইছে। বিচৰামতে মাটি দিলে কৃষি পামৰ ক্ষতি সাধন হব বুলি ভাবি আৰু অন্যান্য শিক্ষাৰ বাবেও কলেজ প্ৰতিস্থাৰ আৱশ্যকতা অনুভৱ কৰি তাৰ ভিতৰত ৫ বিঘা মাটিহে কলেজৰ বাবে কৃষি বিভাগে এৰি দিবলৈ সিদ্ধান্ত লৈছে।

শ্ৰীআলাউদ্দিন চৰকাৰ:—উপাধ্যক্ষ মহোদয়, কোনো ধৰ্মীয় অনুষ্ঠানৰ কাৰণে মাটি দিয়া নাই বুলি উত্তৰত কৈছে। মই জানিব বিচাৰিছো যে য'ত চিলাৰায় হৰি মন্দিৰ আছে সেই মন্দিৰটোৰ কাৰণে মাটি দিছে নেকি?

শ্ৰীসোণেশ্বৰ বৰা ( মন্ত্ৰী ) :— চিলাৰায় হৰি মন্দিৰৰ কাৰণে মাটি বিচাৰি আমালৈ লিখিছিল—কিন্তু মাটি দিয়া হোৱা নাই। এইটো য'ত অৱস্থিত—সেইটো কৃষি পামখনৰ বাহিৰত বুলি কোৱা হৈছিল—কিন্তু আচলতে কৃষি পামখনৰ বেৰাৰ বাহিৰে থকা ফাৰ্মখনৰ মাটি বুলি জনা যায়।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— মন্ত্ৰী মহোদয়ে কৈছে যে—গোলোকগঞ্জ কৃষি পাম নিগমৰ ২৯৭ বিঘা মাটি আছে। এইটো কৃষিপাম নিগমৰ কিমান দিনৰ পৰা আছে আৰু এই ২৯৭ বিঘা মাটিত খেতি কৰি মানুহৰ কি উপকাৰ সাধিছে আৰু ৰাইজক কি কি সহায় সহানুভূতি আগবঢ়াইছে ?

শ্ৰীসোণেশ্বৰ বৰা ( কৃষি মন্ত্ৰী ) :— সেই বিষয়ে বেলেগ প্ৰশ্ন দিব লাগিব।

শ্ৰীফনি মেধি :— গোলোকগঞ্জ কৃষি পাম নিগমত কি কি শস্য উৎপন্ন হয় ? বীজ উৎপন্ন হয় নে অন্য ধাঁহ-বন আদি উৎপন্ন হয় ?

শ্ৰীসোণেশ্বৰ বৰা ( কৃষি মন্ত্ৰী ) :— কি কি উৎপন্ন হয়—সেই বিষয়ে বেলেগে প্ৰশ্ন দিলেহে কব পৰা যাব।

শ্ৰীআলাউদ্দিন চৰকাৰ :— এই অঞ্চলটো অ, বি, চি অঞ্চল। উচ্চ শিক্ষাৰ ব্যৱস্থা নাই বুলিয়েই কব পাৰি। বহুত দিনৰ আগতে প্ৰতিষ্ঠিত হলেও তাৰ যিখন কলেজ আছে—তাত বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ চলি আছে সেই কাৰণে এই অঞ্চলটো শিক্ষাৰ পশ্চাতঘাটি কৰিবৰ কাৰণে চৰকাৰলৈ আবেদন কৰা অনুসৰি কলেজ প্ৰতিষ্ঠাৰ কাৰণে আৰু ৫ বিঘা বেছি মাটি দিয়া হৈছে নে ?

শ্ৰীসোণেশ্বৰ বৰা ( কৃষি মন্ত্ৰী ) :— প্ৰশ্নোত্তৰত আগতেই কৈছো যে—কলেজৰ কাৰণে ২০ বিঘা মাটি বিচাৰিছিল। কিন্তু কৃষি পামৰ ফালৰ পৰা অসুবিধা হব বুলি জনোৱাত তেখেতসকলে পুনৰ ৫ বিঘা মাটি হলেই কলেজ চলিব বুলি আবেদন কৰাত—এই বিষয়টো পুনৰ বিবেচনা কৰি কৃষি বিভাগে ৫ বিঘা মাটি দিবলৈ সিদ্ধান্ত কৰে।

শ্ৰীআলাউদ্দিন চৰকাৰ :— তাত যিবিলাক অনাবাদী মাটি আছে সেইবিলাক আবাদী কৰাৰ ব্যৱস্থা কৰিব নে? লগতে মই জনাওঁ যে চিলাৰায় হৰি মন্দিৰ প্ৰতিষ্ঠাৰ পূবৰ ফালে অনাবাদী মাটি বহুত আছে। তাৰে কিছুমান মাটি এই কলেজখনৰ কাৰণে আগবঢ়াবলৈ এই বিষয়টো পুনৰ বিবেচনা কৰিবনে?

শ্ৰীসোণেশ্বৰ বৰা ( কৃষি মন্ত্ৰী ) :— সেই কথা চৰকাৰে বিবেচনা কৰি আছে। এই কৃষি পামৰ মাটি বিলাক মিলিটেৰী আদিয়ে ব্যৱহাৰ কৰি আছিল—সেইকাৰণে মাটিৰ সীমা আদি ঠিক কৰোতে অসুবিধা হৈছে। ফলত বেৰাৰ ভিতৰত থকা মাটিকেই কলেজৰ কাৰণে দিব লগীয়া হৈছে। বাহিৰত থকা বুলি যিখিনি মাটি গম পাইছো সেইখিনি কৃষিপামৰ ভিতৰলৈ আনিবলৈ দিহা কৰা হৈছে।

বিষয় : স্বাস্থ্য কেন্দ্ৰ, চিকিৎসালয় আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ নীতি।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে :—

*৩৮৮। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) স্বাস্থ্য কেন্দ্ৰ ( Health Unit ), চিকিৎসালয় ( Dispensary ) আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ( P.H.C. ) বোৰ স্থাপন কৰা ক্ষেত্ৰত কি নীতি নিৰ্দ্ধাৰণ কৰা হয়?

(খ) অসম চৰকাৰে অসমৰ পিচপৰা গাওঁসমূহক এই ক্ষেত্ৰত কেনেধৰণে আগবঢ়াই নিব খুজিছে?

(গ) হাজো সমষ্টিৰ কোৱৰপুৰ, দক্ষিণ শিংৰা, বর্ণি গাচগাঁৱত এনে স্বাস্থ্য কেন্দ্ৰ খোলাৰ কিবা দিহা কৰা হৈছে নেকি?

(ঘ) গাচগাওঁ অঞ্চলত এটা স্বাস্থ্য উপ কেন্দ্ৰ খোলাৰ আঁচনি পূৰ্ব্বৰ চৰকাৰে লোৱা বিষয়ে চৰকাৰে জানেনে আৰু যদিহে জানে এই বিত্তীয় বছৰটোত ইয়াৰ কাম আৰম্ভ কৰিব নেকি?

ডাঃ কোমেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :—

৩৮৮। (ক) চলিত নীতি অনুসৰি প্ৰতিটো উন্নয়ন খণ্ডত কমেও এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ও প্ৰতি ১০,০০০ জন সংখ্যাৰ ওপৰত এটিকৈ উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰিব লাগে। ভেষজালয় স্থাপনৰ কোনো হাৰ এতিয়ালৈ নাই।

(খ) উক্ত নীতি অনুকৰণ কৰিবলৈ যত্ন কৰা হৈছে।

(গ) এতিয়ালৈ হোৱা নাই।

(ঘ) তেনে কোনো আঁচনি চৰকাৰে লোৱা নাই।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ :—উপাধ্যক্ষ মহোদয়, গাচগাওঁ স্বাস্থ্য উপ-কেন্দ্ৰৰ আচনি পূৰ্ব্বৰ চৰকাৰে লোৱা নাই বুলি তেখেতে কৈছে—কিন্তু এইটো লোৱা হৈছিল। সেই বছৰৰ আচনি মতে টকা নাই বুলি কৈ বেলেগে এটা ইউনিট লৈছিল। কংগ্ৰেছ চৰকাৰৰ দিনতেই

হাজো সমষ্টিত ৪ টা ইউনিট কৰাৰ কথা আছিল—তাৰে দুটা কৰিলে দুটা পিচত কৰা হব বুলি কলে। এতিয়া এই দুটা কৰাৰ কাৰণে বিবেচনা কৰিবনে?

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী):— ইতিমধ্যে হাজো সমষ্টিৰ দুটা স্বাস্থ্য উপকেন্দ্ৰৰ কাম চলি আছে। অৱশ্যে প্ৰত্যেক সমষ্টিতে তিনিটাকৈ স্বাস্থ্য কেন্দ্ৰ খোলাৰ কথা আছিল। এটা মঞ্জুৰী নোহোৱাৰ কাৰণে প্ৰত্যেক সমষ্টিতে দুটাকৈ দিব লগীয়া হল। এতিয়া আমি পোৱা খবৰ মতে হাজো স্বাস্থ্য কেন্দ্ৰৰ ডাক্তৰে এটা প্ৰাথমিক স্বাস্থ্য উপকেন্দ্ৰ হব বুলি কৈছে কিন্তু কত হব কোৱা নাই। এইটো খবৰ কৰি মই মাননীয় সদস্যক জনাম।

শ্ৰীযোগেন গগৈ :— কোনোবা বিধান সভা সমষ্টিত দুই তিনিটা স্বাস্থ্য কেন্দ্ৰ আছে আৰু কোনোবা সমষ্টিত এটাও নাই। এই স্বাস্থ্য কেন্দ্ৰ বিলাক একোটা হিচাব ধৰি কৰা নাই নেকি? ডিমৌত যিটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে সেইটো নাই হোৱা বুলি আমি জানো— কিন্তু কাগজত হৈ আছে। গতিকে এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৱে যিখিনি মৰ্য্যাদা পাব লাগে সেইখিনি পোৱা নাই।

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী):—প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ গাঁৱৰ প্ৰতিটো উন্নয়ণ ব্লকতে একোটাকৈ হব লাগে। সেই অনুপাতে হৈছে। কিন্তু কিছুমান ব্লকত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। সেই কাৰণেই ৰাজ্যিক চিকিৎসালয়ে ইয়াৰ কাম কৰি আছে। এইটো সোনকালেই হব বুলি আশা কৰিছো।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ :— উপাধ্যক্ষ মহোদয়, মই এটা কথা জানিব

বিচাৰিছো যে—আপুনিও তাত মিটিং কৰি আহিছে। কোৰ্ঁৰ পুব নামৰ ঠাইখন ইমান পিচপৰা যে—তাত বাষ্টা নাই স্কুল কলেজ নাই জনসাধাৰণে কেনেকৈ থাকিব লাগে তাকো নাজানে। হাজোৰ পৰা ১০ মাইল দূৰ এই কোৰ্ঁৰপুবত স্বাস্থ্য উপকেন্দ্ৰটো খোলাৰ ব্যৱস্থা কৰিব নে? এনেকুৱা পিচপৰা অঞ্চলত মনোযোগ দিব নে?

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) :— আমাৰ আচনিমতে প্ৰত্যেক ১০ হেজাৰ জন-বসতি অঞ্চলতে একোটাকৈ স্বাস্থ্য কেন্দ্ৰ কৰা হব। মাননীয় সদস্যই যি ঠাইৰ কথা উল্লেখ কৰিছে—তাতি এটা দৰ্কাৰ। আমি পৰ্য্যায় ক্ৰমে কাম কৰিববৈল আচনি লৈছো।

শ্ৰীফনি মেধী :— প্ৰত্যেক বিলাক স্বাস্থ্যকেন্দ্ৰৰ ডাক্তৰ বিলাকৰ এটা অভিযোগ হৈছে যে — তেওঁলোকৰ পেপাৰ ৱৰ্ক লোড ইমান বেছি হৈছে যে— তেওঁলোকে এই পেপাৰ ৱৰ্কত ব্যস্ত থাকোতেই— ৰোগী চিকিৎসাত বেছি মনোযোগ দিব নোৱাৰে। সেই কাৰণে এই পেপাৰ ৱৰ্ক লোড কমোৱাৰ ব্যৱস্থা কৰিব নে?

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) :—আমাৰ ডাক্তৰ সকলে ৰাজ্যিক চৰকাৰৰ আচনিমতে কাম কৰাৰ উপৰিও কেন্দ্ৰীয় চৰকাৰে যিবিলাক আচনি দিছে—সেইবিলাকতো কাম কৰিবলগীয়া হৈছে। এতিয়া কথা হৈছে যে—চিকিৎসা কৰি বেমাৰ ভাল কৰাতকৈ বেমাৰ নোহোৱা কৰিবৰ কাৰণেহে বেছি জোৰ দিয়া হৈছে। সেইমতেই মেলেৰীয়া বসন্ত, এম, চি, এইচ আচনিত কাম কৰিবলগীয়া হোৱাৰ কাৰণে কাগজৰ কাম বাঢ়ি গৈছে। আমি কেনেকৈ কাম কমাব পাৰো—তাৰ কাৰণে চেষ্টা কৰি আছো।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ :— উপাধ্যক্ষ মহোদয়, হাজোৰ কথাটো আপুনি জানে। স্বাস্থ্যৰ সা-সুবিধা ক্ষেত্ৰত হাজো অঞ্চলটো বিশেষভাবে পিচপৰা। তাত ডাক্তৰ নাই, কম্পাউণ্ডাৰ নাই, দৰব নাই, ঘৰ ভঙা ঘুণ লগা অৱস্থা। গতিকে ইয়াত এই দুনিয়াত থকা স্বাস্থ্য কেন্দ্ৰটোত ডাক্তৰ, কম্পাউণ্ডাৰ, দৰব আদি দি ভঙা ঘৰ মেৰামতি কৰাৰ ব্যৱস্থা কৰিব নে?

ডা: কোষেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) :—যোৱা বছৰৰ আগলৈকে উপকেন্দ্ৰ খোলাৰ আচনি নাছিল। যোৱা বছৰ প্ৰত্যেক সমষ্টিতে দুটাকৈ দিয়া হৈছে। মাননীয় সদস্যই যি অভিযোগ কৰিছে সেই সম্পৰ্কত মই কওঁ যে—ইয়াত দৰব দিয়াৰ প্ৰস্তাৱ আছে কিন্তু ডাক্তৰ দিয়াৰ প্ৰভিজন নাই। ভঙাঘৰ মেৰামতি কৰি দিবৰ কাৰণে এই বছৰতে যত্ন কৰিম।

শ্ৰীপ্ৰেম বৰা :—উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো য, বৰ্ত্তমানৰ প্ৰচলিত নীতি মতে স্বাস্থ্য কেন্দ্ৰ, স্বাস্থ্য উপ কেন্দ্ৰ, স্বাস্থ্য চিকিৎসালয়, আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ কাৰণে যি নীতি সেই নীতি অনুসৰি অসমত কিমান এনেধৰণৰ অনুষ্ঠানৰ প্ৰয়োজন আৰু পৰিকল্পনাৰ শেষত কেতিয়া এই আচনি সম্পূৰ্ণ কৰি তুলিব?

ডা: কোষেশ্বৰ বৰা মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়, আমাৰ কেন্দ্ৰীয় চৰকাৰৰ আচনিমতে ১২৮ টা উন্নয়ণ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হৈছে। আৰু ১০ হাজাৰ জনসংখ্যাৰ ভিত্তিত উপ স্বাস্থ্য কেন্দ্ৰ কৰাৰ আচনি আছে, ইতিমধ্যে প্ৰায় আধাভাগ কৰা হৈ গৈছে. আৰু বাকী থকাখিনিও অতি সোণকালে কৰাৰ ব্যৱস্থা কৰিম।

ডাঃ তাৰিণী মোহন বৰুৱা :— উপাধ্যক্ষ মহোদয়, চাব চেণ্টাৰৰ কথা ওলাইছে। মই জানিব বিচাৰিছো যে, এই চাব চেণ্টাৰ বিলাকত জেনেৰেল চিকিৎসা হয় নে নহয়? তাত ফাৰ্মেচিষ্ট নাথাকে এ, এন, এচ আৰু ধাই থাকে মাত্ৰ মেতাৰনিটিৰ কামৰ কাৰণে। গতিকে তাত জেনেৰেল চিকিৎসা হয়নে নহয় জনাবনে ?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ ৰাজ্যত বিভিন্ন ধৰণৰ চাব চেণ্টাৰ হৈছে। সেইবিলাকত ফাৰ্মেচিষ্ট দি নতুন আচনিৰ দ্বাৰা উপ স্বাস্থ্য কেন্দ্ৰ কৰা হৈছে। প্ৰতি ১০ হাজাৰ জনসংখ্যা থকা ঠাইত এগৰাকী ধাই আৰু এগৰাকী চকিদাৰ দি চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে সেইবিলাকত সাধাৰণতে মাতৃ আৰু শিশুসকলক স্বাস্থ্য প্ৰতিশেধক মূলক চিকিৎসা দিয়া হয়। এতিয়া সেই উপ স্বাস্থ্য কেন্দ্ৰ বিলাকত ঔষধৰ ব্যৱস্থা কৰা হৈছে আৰু ২।৩ দিনৰ পিচে পিচে তালৈ ডাক্টৰ গৈ ভিজিত দিয়েগৈ। তাত এ, এন, এম ৰ ঠাইত ফাৰ্মেচিষ্ট নিযুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে।

Shri Gauri Sankar Roy :— Whether Govt. proposes to take up any scheme of opening Health unit or Dispensaries in Forest Villages and Tea Gardens having retrenched workers where medical fecilities are practically absent ?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— উপাধ্যক্ষ মহোদয়, চাহ বাগিচাবিলাকত আমাৰ কোনো আচনি নাই। তাত তেওঁলোকৰ নিজৰ স্বকীয়া চিকিৎসা লৈ আছে। অৱশ্যে কিছুমান ফৰেষ্ট ভিলেজ আৰু পিচপৰা অঞ্চলতো চিকিৎসাৰ ব্যৱস্থা নাই। এতিয়া ১০ হাজাৰ জনসংখ্যা

যি ঠাইত আছে সেই বিলাক ঠাইত উপ-স্বাস্থ্য কেন্দ্রৰ আচনি লৈ কৰা হৈছে।

Mr. Deputy Speaker :—Now next question—Shri Birendra Nath Choudhury — × supplementaries have already been put. So I take up the next question.

Re : Subdivisional Medical and Health Officer of Goalpara Subdivison

Shri Birendra Nath Choudhury asked :

*389. Will the Minister of State, Health be pleased to state—

(a) Whether any complain was recieved against Subdivisional Medical and Health Officer, Goalpara Subdivision with regard to his misuse of powers and privileges ?

(b) Whether it is a fact that some irregularities were pointed out when the Minister, Health visited the Goalpara Civil Hospital in the month of October, 1978 ?

(c) If so, what steps have been taken by Government in this regard ?

Dr. Kosheswar Bora ( Minister of State, Health ) replied :

389: (a) —Yes, in May, 1977.

(b)—Yes.

(c)—The matter is under enquiry.

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী :—উপাধ্যক্ষ মহোদয়, গোৱালপাৰা চিভিল হস্পিতেলত এই হেলথ অফিচাৰজন কিমান দিনৰ পৰা এটাত্‌চ হৈ আছে? তেখেতৰ বিষয়ে যিবিলাক অভিযোগ আহিছে সেইবিলাকৰ ভিতৰত মূল অভিযোগ কি?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— উপাধ্যক্ষ মহোদয়, গোৱালপাৰা চিভিল হস্পিতেলত যি গৰাকী এচ, ডি, এম, ও আছে তেখেতৰ তাত তিনি বছৰৰ ওপৰ হৈছে। তেখেতৰ বিৰুদ্ধে ৰাজহুৱা ভাবে অভিযোগ নাই। কিন্তু দুই-এজন মানুহৰ নামত তেখেতৰ বিৰুদ্ধে আমি এলিগেচন পাইছিলো। এটা হৈছে তেখেতে বৰফ তৈয়াৰ কৰা বিফ্ৰিজাৰেটৰটো গোৱালপাৰা চিভিল হস্পিতেলৰ পৰা নি তেখেতৰ ঘৰত ব্যৱহাৰ কৰিছিল। আনটো হৈছে চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল এজনক তেওঁৰ নিজৰ ঘৰত মকৰল কৰাইছিল। এতিয়া অনুসন্ধান কৰি জানিব পৰা গৈছে যে সেই ৰিফ্ৰিজাৰেটৰটো আচলতে গোৱালপাৰা চিভিল হস্পিতেলৰ নহয়। সেইটো ৰঙজুলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰহে। তাত বিজুলী সৰবৰাহ নথকাৰ কাৰণে সেই বিফ্ৰিজাৰেটৰটো তেওঁৰ নিজৰ ঘৰত নি

ৰাখিছিল। এতিয়া ৰঙজুলিত বিজুলী সৰবৰাহ হোৱাত সেই ৰেফ্রিজাৰেট-ৰটো আনি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত থোৱাৰ কথা কোৱা হৈছে। দ্বিতীয় প্ৰশ্নটো অনুসন্ধান কৰি থকা হৈছে।

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, যদি ৰঙজুলিত বিজুলীৰ সৰবৰাহ নাছিল তেনেহলে এই বিফ্রিজাৰেটৰ কিয় কিনিব লগা হৈছিল?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— উপাধ্যক্ষ মহোদয়, এইটো আমাৰ চৰকাৰে কিনা নহয়। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবিলাকক এইবিলাক ইউনিচেফে দিয়ে। এই বিফ্রিজাৰেটৰটো ইউনিচেফে যি সময়ত দিছিল সেই সময়ত ৰংজুলিত বিজুলী সৰবৰাহ নথকাৰ কাৰণেই এইটে তেখেতৰ তাত ৰাখিছিল। অৱশ্যে এইটো অযুক্তিকৰ কাম কৰিছে। মই বিভাগৰ ফালৰ পৰা তেখেতৰ ওপৰত ব্যৱস্থা লৈছো।

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৭৭ চনৰ মে মাহতে ৰাইজৰ পৰা তেখেতে অভিযোগ পাইছিল আৰু এতিয়া ১৯৭৯ লৈকে তদন্ত শেষ নোহোৱাৰ কাৰণ কি?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— উপাধ্যক্ষ মহোদয়, মই যেতিয়া গোৱালপাৰালৈ যাওঁ তেতিয়া গোটেই কথাখিনি ৰাইজৰ পৰা জানি লৈ তদন্ত কৰিছো।

শ্ৰীহেমেন দাস :— মন্ত্ৰীয়েটো তদন্ত কৰিব নালাগে, বিভাগ কলৈ গৈছে?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— মই তদন্ত কৰা নাই। মই গোৱাল-

পাবাৰ পৰা আহি গোটেই কথাবিলাক বিভাগক জনাইছো আৰু তেওঁলোকে তদন্ত কৰি জনাইছে।

শ্ৰীবীৰেণ চৌধুৰী :— মই কৈছিলো অক্টোবৰ মাহতে যেতিয়া মন্ত্ৰী মহোদয়ে চিভিল হস্পিতেলত ভিজিত কৰিছিল সেই সময়ত মই নিজে কিছুমান অভিযোগ তেখেতক দিছিলো। তেতিয়া মন্ত্ৰী মহোদয়ে কৈছিল যে অনুসন্ধান কৰিম। সেইবিলাকৰ ভিতৰত আছিল গোৱালপাৰা চিভিল হস্পিতেলৰ এচ, ডি, এম, অ ই কিছুমান বিল পেমেণ্ট কৰিছিল। দ্বিতীয়তে চাৰি গৰাকী ফৰ্ড গ্ৰেডৰ এগৰাকীক কুক, এগৰাকী ড্ৰাইভাৰ, এগৰাকী পিয়ন আৰু এগৰাকী ল'ৰা-ছোৱালী পৰিচৰ্য্যা কৰাৰ কাৰণে নিয়োগ কৰিছিল। তাৰে তিনি গৰাকীৰ নাম মোৰ হাতত আছে। এজনৰ নাম পৰেশ বৰ্ম্মণ। তেওঁক এতিয়া ৰিলিজ দিছে। এজন ছামচুল হুছেইন আৰু এজন নজমুল হক। তেওঁলোকৰ দৰমহা চিভিল হস্পিতেলৰ তৰফৰ পৰা দিয়া হয়। ইয়াৰোপৰিও আৰু দুগৰাকী চুইপাৰে এগৰাকীয়ে ৰাতিপুৱা আৰু এগৰাকীয়ে আবেলি কাম কৰে। তেওঁলোকৰো পেমেণ্ট হস্পিতেলৰ পৰা হয়। এই সকলোবিলাক অভিযোগ দিয়া হৈছে। গতিকে এই সকলো বিলাক অভিযোগ কেতিয়া তদন্ত কৰিব মন্ত্ৰী মহোদয়ে জনাবনে ?

Shri Keshab Chandra Gogoi (Minister) :— Sir, this is the question hour, the Hon'ble Member should put supplementaries only and nothing else.

শ্ৰীকোমেশ্বৰ বৰা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই গোটেই বিলাকৰে তদন্ত চলি আছে। তদন্ত শেষ হলে বাকীখিনি জনাব পাৰিম।

দেৱান জয়নাল আবেদিন :— গোৱালপাৰা চিভিল হস্পিটলত যোগান ধৰা দৰব বজাৰত বিক্ৰী হয় মন্ত্ৰী মহোদয়ে এই ধৰণৰ কিবা অভিযোগ পাইছে নেকি? আনহাতে গোৱালপাৰা চিভিল হস্পিটলত দক্ষিন গোৱালপাৰাৰ কাৰণে এটা মেডিকেল ষ্টোৰ কৰাৰ কথা চৰকাৰে চিন্তা কৰিছে নে?

ডা: কোষেশ্বৰ বৰা ( ৰাজ্যিক মন্ত্ৰী ) :—আগৰ প্ৰশ্নটোৰ উত্তৰ দিয়া টান তথাপি নিৰ্দ্দিষ্টভাৱে কলে ব্যৱস্থা লম। তাত মেডিকেল ষ্টোৰ এটা অতি দৰ্কাৰ মই যাওতেও আলোচনা কৰিছিলো, এই বছৰ তাত মেডিকেল ষ্টোৰ কৰাৰ আচনি লৈছো।

ডা: তাৰিনী দাস :— গোৱালপাৰা জিলা স্বাস্থ্য বিষয়াজন তাত ১৯৬৮ চনৰ পৰাই আছে আৰু এটা কোম্পানী সম্পৰ্কে তেওঁৰ কেলেঙ্কাৰীও চলি আছে অৱশ্যে কেচটো তদন্তাধীন অৱস্থাত আছে। মন্ত্ৰী মহোদয়ে এই বিষয়ে কিবা জানে নে?

ডা: কোষেশ্বৰ বৰা ( ৰাজ্যিক মন্ত্ৰী ) :— এই বিষয়ে কব নোৱাৰিম বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— উপাধ্যক্ষ মহোদয়, সমগ্ৰ অসমৰ জিলাতে প্ৰায়বিলাক চিভিল হস্পিটলতে ব্যাপক আৰু চৰম কেলেঙ্কাৰী চলি আছে আৰু তাৰ জলন্ত উদাহৰণ গোৱালপাৰা চিভিল হস্পিটল। এই গোটেই কেলেংকাৰীৰ স্বাক্ষৰ হৈছে হেণ্ডেৰাবাৰী, চৰকাৰে এই কথা জানে নে? আৰু যদি জানে গোটেই কথাটো তদন্ত কৰি কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ বাবে এটা তদন্ত কমিচন নিয়োগ কৰিব নে?

ডাঃ কোয়েশ্বৰ বৰা (বাজ্যিক মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, বিশেষ কিবা আপত্তি থাকিলে আৰু তাক যদি লিখিতভাৱে পাওঁ নিশ্চয় তদন্ত কৰিম।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— লিখিতভাৱে আৰু বিধান সভাতো এই বিষয়ৰ আলোচনা হৈছে আৰু সেই বিলাক ৰেকৰ্ড কৰা হৈছে আৰু তাৰোপৰি ডেপ্যো কৰা হৈছে। তাৰ পিচতো লিখিত কিবা দিব লাগে বুলি নাভাৱো আৰু সেই বিষয়ে কিবা তদন্ত কৰাৰ ব্যৱস্থা কৰিব নে নাই জানিব বিচাৰিছো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে সদনত আগতে কৈছে যে বিধান সভাৰ এটা কমিটি কৰি দিয়া হৈছে এই গোটেই বিষয়টো অনুসন্ধান কৰিবৰ কাৰণে। গতিকে বিধান সভাৰ এই কমিটিৰ ৰিপোৰ্ট পালে এই বিষয়ে নিশ্চয় বিহিত ব্যৱস্থা লোৱা হব।

Shri Altaf Hussain Mazumdar :— Mr. Deputy Speaker Sir, this has been brought to the notice of the House that at the Directorate level things are not going smoothly, and as a result, the whole administration of the Medical Department has become stinking. will the Hon'ble Minister see that the vested interests are rooted out completely and the status-quo is restored in the Directorate level, so that he can bring a change in the Department ?

ডাঃ কোমেশ্বৰ বৰা ( ৰাজ্যিক মন্ত্ৰী ) :—এই গোটেই কথাখিনি চালিজাৰি চাই মাননীয় সদস্য সকলৰ যিটো কমিটি কৰা হৈছে সেই ৰিপোৰ্ট পালেই ব্যৱস্থা কৰিম ।

Sri Giasuddin Ahmed :– Mr. Deputy Speaker Sir, will the Han'ble Health Minister please see that the workings of the Medical Unit of Herangabari is streamlined ? Sir, my question has not been answered.

ডাঃ কোমেশ্বৰ বৰা ( মন্ত্ৰী ) :— এইটো কৰলৈ সম্ভৱ নহৰ ছাগৈ ।

## Re : Venture L. P. Schools

Shri Giasuddin Ahmed asked :

*390. Will the Minister, Education be pleased to state—

(a) Whether the venture L. P. Schools will be taken over by the Government ?

(b) If so, when ?

Shri Lakshyadhar Choudhury (Minister, Education) replied :

• 390. (a)— At present there is no such proposal.

(b)— It depends on provision of funds.

Mr. Giasuddin Ahmed :— Sir, will the Hon'ble Minister kindly tell us how many venture L. P. Schools are there in Assam at present?

Sri Lakshyadhar Choudhury, (Minister, Education) : Sir, we are committed to establish one L. P. School in every 1.5 kilometer. The total Number of L. P. Schools throughout the State is 2,900.

Sri Giasuddin Ahmed : Sir, there is no proposal at present. When we will get such proposal and when that proposal will be implemented?

Sri Lakshyadhar Chondhury, (Minister, Education) : It depends on the availability of funds.

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী :— নতুন জনতা চৰকাৰে এই ফাইনেনচিয়েল ইয়েৰত ভেনচাৰ স্কুল লোৱাৰ ব্যৱস্থা কৰিব পাৰিব নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— এই বিষয়ে ফেজ ওৱাইজ ১.৫ কিলোমিটাৰত ভেনচাৰ স্কুল লোৱাৰ ব্যৱস্থা হৈছে। There will be one L. P. School in every 1.5 K.M. We will complete in five years time.

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— শিক্ষা মন্ত্ৰী মহোদয়ে কৈছে যে এই বছৰ কোনো ভেনচাৰ স্কুল লোৱা নহয় কিন্তু যোৱা বাজেট অধিবেশতে ১'৫ কিলোমিটাৰত একোখন ভেনচাৰ স্কুল লোৱা হব বুলি কৈছিল। মোৰ প্ৰশ্ন হৈছে এই স্কুলবিলাক লোৱাত চৰকাৰে কি অসুবিধা পাইছে? ১'৫ কিলোমিটাৰতকৈ ওচৰতে থকা বুলি নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা মন্ত্ৰী ) :— ৩১ মাৰ্চত লোৱা নহয় বুলি কৈছো কিন্তু পৰ্য্যায়ক্ৰমে লোৱা হব।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১৯৭৪ চনত একো একোটা সমষ্টিত প্ৰাইমাৰী শিক্ষাৰ কাৰণে ৩ লাখতকৈ বেচি টকা দিয়া হৈছিল। তেতিয়া বাজেট প্ৰভিজন আছিল ৫০ কোটি টকা জেনেৰেল এডুকেশ্যনত। এতিয়া সেই বাজেট প্ৰভিজনত ৭০ কোটি টকা পাইছে। তথাপি এখনো প্ৰাইমেৰী স্কুল কিয় লব নোৱাৰিলে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এইটো ৩১ মাৰ্চলৈ লোৱা হোৱা নাই। কাৰণ আপোনালোকে জানে যে আমি ডি-চেণ্ট্ৰেলাইজেচন পলিচি লৈছো। সেই কাৰণে ৰোৰ্ড কৰিবলৈ লৈছো আৰু ইয়াৰ ক্ষমতা দিয়া হৈছে যাতে নিয়াৰিকৈ পতা হয়।

Shri Premadhar Bora :— Sir, may I know from the Minister in-charge of Education what will be financial involvement in taking over these 2900 venture schools? Is it for the fact that the Department could

not make their provision because they did not place demand to the Finance Deptt. ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— কথাটো সঁচা নহয়, বৰং আমাৰ পক্ষৰ পৰা এই বিষয়টো সক্ৰিয়ভাবে বিবেচনা কৰিছো। ইতিমধ্যে প্ৰায় ৪ হাজাৰ স্কুল কৰি ২ হাজাৰ শিক্ষক লোৱাৰ আচনি লৈছো আৰু যাতে এইটো লওঁতে সঠিক ভাবে হয় তাৰ বাবে ১·৫ কিলোমিটাৰৰ যি নীতি আছে সেই নীতি গ্ৰহণ কৰিছো।

Shri Premadhar Bora :— Mr. Deputy Speaker, if I say, Sir, will the Minister, Edncation agree that non submission of the proposal in time from the Education Deptt. is the main reason for not taking over the schools ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এইটো সচাঁ নহয়।

Shri Premadhar Bora :— If not, Sir, may I know when the proposal was submitted by the Education Deptt. to the Finance Deptt. ?

Shri Lakshyadhar Choudhury ( Minister ) :— I don't remember the exact date.

Shri Premadhar Bora :— I challenge, Sir, there was no proposal. Let him accept my challenge. For

default of the Education Deptt. why the State should suffer ?

Shri Lakshyadhar Choudhury ( Minister ) :— I accept the challenge. মই চেলেঞ্জ এক্সেপ্ট কৰিছো। তাৰ কাৰণে সদনে পৰবৰ্ত্তী অধিবেশনত বিচাৰ কৰিব।

শ্ৰীচিৰাজুল হক :— এই ভেন্সাৰ স্কুলসমূহৰ বয়স কিমান হব জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— বয়স বেলেগ বেলেগ আছে। পিচত এইটো জনালে নমুনা পোৱা হব।

Shri Altaf Hussain Mazumdar :— Mr. Deputy Speaker, Sir, is it a fact that during the last Govt. irrational expansion and irrational giving of grants has put the whole Education Deptt. in a quandy ?

( Interuptions )

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এই প্ৰশ্নৰ উত্তৰ দিবলৈ মই অক্ষম।

শ্ৰীফনী মেধী :— মন্ত্ৰী মহোদয়ে বৰা ডাঙৰীয়াৰ চেলেঞ্জ আৰু পৰবৰ্ত্তী অধিবেশনত বিচাৰ কৰা হব বুলি কোৱা কথা শুনি আমি ভাল পাইছো। কিন্তু ১৯৭২ চনৰ পৰা আজিলৈকে যিবিলাক ভেন্সাৰ স্কুল আছে সেইবিলাকৰ এখনো যোৱা বছৰ চৰকাৰে কিয় লব নোৱাৰিলে ? এইটো শিক্ষা মন্ত্ৰীৰ ক্ৰেডিট বুলি ভাবে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এইটো ব্যৰ্থতা নহয়। আন্তৰিক সুদ্ধতাৰ কাৰণে লব পৰা নাই।

শ্ৰীআব্দুল মোক্তাদীৰ চৌধুৰী :— উপাধ্যক্ষ মহোদয়, ১'৫ কিলো-মিটাৰৰ নিয়মটো আগৰ চৰকাৰে কৰিছে নে নতুন চৰকাৰে কৰিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এইটো অসম চৰকাৰে কৰিছে।

শ্ৰীযোগেন গগৈ :— অসমৰ কিমান বিলাক ভেন্সাৰ স্কুল লোৱাৰ উপযোগী বুলি এচ, আই বা ডি আই পৰিদৰ্শন কৰি অসম চৰকাৰলৈ প্ৰতিবেদন পঠাইছে ? সময়ৰ মুৰকত গ্ৰাণ্ট নকৰাৰ বাবে স্কুলবিলাক যদি ভাঙি যায় তাৰ দায়িত্ব চৰকাৰে লব নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— ভেন্সাৰ স্কুলৰ দায়িত্ব চৰকাৰে নলয়।

( হুলস্থুলীয়া পৰিবেশ )

Mr. Deputy Speaker :— Order, orders. The question was put to the hon'ble Minister and the Ministers replied eithers in the positive or in the negative but reply was givens. So, Shri Shamsul Huda will but the next question.

শ্ৰীচামচুল হুদা :— মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা কথা জানিব পাৰোনে যে অসমত বৰ্তমান থকা দুই হাজাৰ ন শ খন ভেন্সাৰ স্কুল লবলৈ যাওঁতে এক কোটি টকাৰ প্ৰয়োজন নাই। কেই লাখ মান টকাৰ প্ৰয়োজন হব। যিহেতু ৩১ মাৰ্চত শিক্ষা বিভাগৰ পৰা ভালেমান টকা চাৰেন্দাৰ কৰা হব, সেই ফালৰ পৰা চাৰেন্দাৰ নকৰি ভেন্সাৰ স্কুল সমূহৰ কাৰণে কেই লাখ মান টকা ৰখাৰ ব্যৱস্থা কৰিবনে ?

বিষয় ঃ উত্তৰ লক্ষীমপুৰ মহকুমাৰ ভেনচাৰ এল, পি, স্কুল

শ্ৰীশ.ল বৰাই সুধিছে ঃ

*৩৯১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাত কিমান খন ভেনচাৰ এল, পি স্কুল আছে ?

(খ) এই ভেনচাৰ স্কুলবোৰ কোন চনৰ পৰা কোন চনৰ ভিতৰত ৰাইজে প্ৰতিস্থা কৰি চলাই আছে জনাবনে ?

(গ) এই স্কুলবোৰৰ ভিতৰত চলিত ১৯৭৯ চনত কিমানখন স্কুল চৰকাৰে লোৱাৰ কথা ভাবিছে ?

(ঘ) যদি সকলোবোৰ স্কুল এই বছৰৰ ভিতৰতে লোৱা নহয় তেন্তে প্ৰাপ্ত বয়স্কৰ নিৰক্ষৰ শিক্ষা আঁচনিৰ সাৰ্থকতাত কিবা হেণ্ডাৰ হব নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৯১। (ক)— ১১০ খন।

| | | |
|---|---|---|
| (খ) — | ১৯৬৩ চনত | ১ খন |
| | ১৯৭৩ চনত | ৩ খন |
| | ১৯৭৩ চনত | ৩ খন |
| | ১৯৭৪ চনত | ১১ খন |
| | ১৯৭৫ চনত | ৫৮ খন |
| | ১৯৭৬ চনত | ৩০ খন |

| | |
|---|---|
| ১৯৭৭ চনত | ৫ খন |
| ১৯৭৮ চনত | ১ খন |
| মুঠ | ১১০ খন |

(গ)— পুজিৰ অভাবত চৰকাৰে কোনো স্কুল লব পৰা হোৱা নাই।

(ঘ)— প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনিৰ সাৰ্থকতাত কোনো হেঙাৰ নহয়।

শ্ৰীশংলবৰা :— গোটেই ৰাজ্য খনত দুই হাজাৰ নশ খন আৰু লক্ষীমপুৰত ১১০ খন নহয় ১২০ খন ভেন্সাৰ স্কুল ১৯৭২ চনৰ পৰা আমাৰ দুখীয়া ৰাইজে আৰু শিক্ষক সকলে নাখাই নবৈ চলাই আহিছে। যি হতুকে চৰকাৰৰ শিক্ষা সংকোচনৰ নীতি নহয়, শিক্ষা প্ৰসাৰৰ নীতি, সেই হেতুকে এই স্কুল বিলাক ১৯৭৯ চনৰ ভিতৰতে নিতান্তই লোৱাৰ ব্যৱস্থা কৰিব নে? এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস পাব পাৰোনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— পিচৰ বাজেটত ব্যৱস্থা লোৱা হব।

শ্ৰীমুকুট শৰ্ম্মা :— মন্ত্ৰী মহোদয়ে কৈছে যে ১.৫ কিলোমিটাৰত যি স্কুল লোৱা হব সেইটো অসম চৰকাৰে কৰিছে। মই জানিব বিচাৰিছো এইটো কোন চনত গ্ৰহণ কৰিছে? দ্বিতীয় কথা হল যোৱা জুলাই মাহত অসমৰ মুখ্য মন্ত্ৰীয়ে টিং খঙৰ ৰাজহুৱা সভাত কৈছিল যে ৬ হেজাৰ প্ৰাইমাৰী শিক্ষক এই বিত্তীয় বছৰত লোৱা হব। এই শিক্ষক সকল কোন কোন মহকুমাত লোৱা হব?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অসমৰ মুখ্য মন্ত্ৰীয়ে কি কৈছিল কব নোৱাৰো। ছয় হেজাৰ শিক্ষক লোৱা নীতি এতিয়াও আছে। এইবাৰ দুই হেজাৰ লব খুজিছো। কাৰ্য্যকাল আমাৰ আৰু চাৰি বছৰ আছে, যেতিয়া পৰ্য্যায়ক্ৰমে লোৱা হব।

শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা :— উপাধ্যক্ষ মহোদয়, যোৱা বছৰটোত কিছুমান

ভেনচাৰ স্কুল লোৱা হব বুলি আমি আশা কৰিছিলোঁ, কিন্তু পূজীৰ অভাব বুলি মন্ত্ৰী মহোদয়ে কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে যিখিনি সময়ত বিভিন্ন বিভাগৰ পৰা বহু টকা চাৰান্দাৰ হোৱা বুলি আমি খবৰ পাইছোঁ সেই সময়তে শিক্ষা বিভাগৰ পৰা পূজীৰ অভাব বুলি কলে আমাৰ বিশ্বাস নহয়। আগৰ চৰকাৰৰ দিনত মনিটেৰী চেল বুলি এটা চেলত ডগল বুলি এটা চেলত ডগল বুলি এজন লোকে যি ৰেচিঅ' দিছিল সেই ৰেচিঅ' মতে এই স্কুলবিলাক লোৱা হোৱা নাই সচাঁ নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— পূজীৰ অভাৱৰ কাৰণেই লোৱা হোৱা নাই।

শ্ৰীবীৰেশ মিশ্ৰ:— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ের স্মরণ আছে কি যে চলিত বৎসরের বাজেটে প্ৰাথমিক শিক্ষার খাতে আগের বৎসরের চেয়ে ৭ কোটি টাকা বেশী ধরা হয়েছিল। অর্থাৎ, আগের বৎসরের বাজেটে ২১ কোটি টাকা ধরা হয়েছিল এবং চলিত বৎসরে ২৮ কোটি টাকা ধরা হয়েছিল। সুতরাং আমি জানতে চাই যে এই অতিরিক্ত ৭ কোটি টাকা কোথায় গেল?

আমার দ্বিতীয় প্রশ্ন হলো যে টাকর অভাবে না শিক্ষা বিভাগের তথা ডিরেক্টরেটের অপদার্থতার জন্য এই স্কীম কার্যকরী হলোনা এবং নতুন স্কুল নেওয়া হলোনা—সেটা আমি মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— এই ৭ কোটি টকাৰ সদব্যৱহাৰ সকলো সদস্যক লৈ কৰিবলৈ শিক্ষা বিভাগে প্ৰতিশ্ৰুতি দিছে।

শ্ৰীগজেন তাঁতি:— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে

১'৫ কিলো মিটাৰত ফেইজ ওৱাইজ কৰা হব, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অহা বছৰত কিমান খিনি স্কুল লোৱা হব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী)— উপাধ্যক্ষ মহোদয়, মই কৈছো যে দুই হেজাৰৰ প্ৰপজেল আছে, সেই কাৰণে বৰ্ডে যদি মঞ্জুৰী লয় তেন্তে দুজনীয়া শিক্ষক কৰিব পাৰে। আমি বৰ্ডৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছো।

শ্ৰীবীৰেশ মিশ্ৰ :— এটা তাড়াতাড়ি করার কোনোও ব্যবস্থা নেবেন কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী)— দুই এদিনতে জনোৱা হব বুলি আশা ৰাখিছোঁ।

শ্ৰীখগেন্দ্ৰ নাথ বৰবৰুৱা :— উপাধ্যক্ষ মহোদয়, ১.৫ কিলো মিটাৰ দূৰত স্কুল বিলাক প্ৰতিস্থা কৰা হব বুলি মন্ত্ৰী মহোদয়ে কৈছে, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছোঁ যে তাৰ ভিতৰত আৰু যিবিলাক স্কুল আছে সেই বিলাক ভাঙি দিয়া হব নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী)— উপাধ্যক্ষ মহোদয়, সকলো বৰ্ডৰ পৰামৰ্শমতে কৰা হব।

Re : Appointment of Assisaant Manegers under District Industries Centres Scheme

Shri Md. Fokhrul Islam asked :

*392. Will the Minister, Industries be pleased to state—

(a) Whether it is a fact that a list of Assistant Managers for different branches of all the District Industrial Centers in Assam has been prepared by a Committee of experts appointed by the Government ?

(b) Whether it is also a fact that no appointment has yet been made out of the said list and hence the implementation of District Industrial Centres Schemes have been slowed down to a great extent ?

(c) If so, what is the reason of such delay ?

(d) whether it will result in surrender of money made available by the Central Government for these Scheme ?

Shri Jagannath Sinha (Minister, Industries) replied :

392. (a) A Committee presided over by the Secretery, Indutries Department prepared a list of persons for appontment as Assistant Functional Manager of District Industries Centres.

(b) It is a fact that no appointment has been made out of list but it is not a fact that the District Industries Centres Scheme has slowed down by reason of that.

(c) and (d) The reasons for not finalising the list are the representations from verious eligible cadres of personnel of the Industries Department whole claims were not suffeciently taken into consideration. The non-appointment of only Assistant Managers will not result in any appreciable surre nder of funds considering the fact that there will be large savings on the non-recurring portion of expenditure.

Shri Md. Fokhrul Islam :—Mr. Deputy Speaker Sir, the list for appointing assistant managers was prepared by an expert committee of theGovernment and yesterday a news in the Assam Tribune is published giving a statement made by the Minister, Industries that the list has been cancelled for some anomaly. I would like to know what are the anomalies for which the list has been cancelled and who were the persons responsible for these anomalies ?

Shri Jagannath Sinha, (Minister, Indusrries):—Sir, the news has been given in the Assam Tribune that the list has been cancelled, but this is not fact. The list was prepared by a committe and some anomalies were found and now that list has been kept in abeyance and is being scrutinised by the Government.

Shri Md. Fokhrul Islam :—Sir, does the Minister

deniy that the list has been cancelled and the D. I. C's appointment has been cancelled ? What are the anomalies for which the appoinment has been kept in abeyance ?

Shri Jagannath Sinha, (Minister, Industries ): Mr: Deputy Speaker, Sir I have already stated in my reply (c) and (d) that the reasons for not finalising the list are the reprsentations from various eligible cadres of personnel of the Industries Depertment, whose claims were not sufficiently taken into consideration.

Shri Md. Fokhrul Islam : May I know from the Minister, whether Central Minister Industries George Fernandez has written a D.O. letter for considering all the cases and whether the Minister will consider the letter in this respect ?

Shri Jagannath Sinha, ( Minister ):-Sir, from the Central Ministers many correspondence are being made. Might be that a D. O, letter has come about D. I. Cs also in respect of appointment of Assistant Manager, but I do not remember to have

শ্ৰীমুকুট শৰ্ম্মা :— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ইন্দাষ্ট্ৰী এক্সটেনচন অফিচাৰ সকলৰ যি এচ'চিয়েচন আছে সেই এচ'চিয়েচনে এই বিষয়া সকলৰ সপক্ষে কিবা ৰিপ্ৰেজেণ্টেশ্যন দিছে নে কি ? আৰু মোৰ দ্বিতীয় প্ৰশ্ন হৈছে এই ফাংচনেল মেনেজাৰ ফৰ ৱেদিট বাহিৰৰ পৰা মানুহ নিয়োগ কৰা হৈছে নে কি ?

Shri Jagannath Sinha, (Miniter, Industries) Sir, the question is about the appointment of Assistant Manager and not Functional Manager and for that I have already replied. If a seperate question given I will be able to reply about the functional managers. As regards the representation of the Association they raised some allegation that is why the list has been kept pending and it is receiving active consideration of Government.

Shri Giasuddin Ahmed : Mr. Deputy Speaker sir, may I know from the Minister whether any advertisement was made for filling up those posts ? If so. how many applications were received, who examined those applications and how selection was made ?

Shri Jagannath Sinha, ( Minister, Industries ) :-- Appications were called for from different depertments and the list was prepared by the Selection Committee for recruitment. The Selection Committee consists of Secretary, Industries, Deputy Secretary, Personnel, Directer of A. S. I. S. I.

Shri Giasuddin Ahmed : Sir, should we understand that there has been no advertisment for filling up those posts ?

Shri Jagannath Sinha, ( Minister, Industries ) :- Applications were called for from differnt deperments.

Shri Giasuddin Ahmed : Whether any adverts-ement was made ? That was my question.

শ্ৰী এ, এন, আক্ৰাম হুচেইন :—উপাধ্যক্ষ মহোদয়, এই এচিচটেণ্ট মেনেজাৰ সকলক পপুলেচন পেটাৰ্নত নিয়োগ কৰা হব নেকি ?

Shri Jagannath Sinha, (Minister, Industries) :That will have to be seen as far as practicable.

( Interruptions )

( voices - whether any advertisement has been published in the Gazatte ? )

Shri Hemen Das :—Sir, it shonld be kept pending. ( many voices -- it should be kept pending )

Mr. Deputy Speaker :—Alright, it kept pending. Now short notice Q. No. 6

Undisposed Starred Questions dated 29—3—79

Re : Thefts, burglaries and dacoities with murder in and aroud Bongaigoan .

Shri MATHURA MOHAN SINHA asked :

* 393. Will the Chief Minister be pleased to state—

(a) Whether Government is aware that frequent thefts, burglaries and dacoities with murder were committed in and around Bongaigoan during the last 6 ( six ) months ?

(b) If so, how many cases have so far been registered in the Bongaigoan P. S. and the Outposts near about it ?

(c) Whether it is a fact that there is no sufficient staff in the Bongaigoan P. S. to cope with the setuation ?

(d) If so, whether Government will consider to establish more outposts in greater Bongaigoan including the Railway Colony and Refinery in view of its rapid increase of population ?

Shri GOLAP BORBORA (Chief Minister) replied :

393. (a)- No such theft, burglary and dacoity with murder were frequent during the last 6 ( six )months in and around Bongaigoan.

( b )—73 cases were registered, during the period September 1798 to February 1979.

(c)—Present strength of police personnel posted at Bon-gaigoan P. S. is considered sufficient to cope with the situation.

(d)—Question of opening of an Out Post at New Bongaigaon is under Examination. In the meanwhile an Out Post is already functioning at Dhaligaon which is a refinery area.

Re : Ticket No. 131542 of 'H' Series of 90th draw of Assam State Lottery

Shri M. IBRAHIM ALI asked :

*394. Will the Minister, Finance be please to state —

(a) Whether it is a fact that in the 90th draw of Assam State Lottery Tiket No. 131542 of 'H' series got the 1st prize ?

(b) Whether it is also a fact that the purchaser of this lucky ticket was a poor man viz. Altaf Hussain. of Mo-ukhoa Char within Baghbar Constituency of Barpeta Subdivision ?

(c) If so, whether it is a fact that Mr. P. K. Dhar of Goalpara Town the Agent of the Lucky ticket tried to cheat the poor purchaser the ticket in a hotal of Gauhati City ?

(d) If so, what stepts have been taken so far by Government to ensure just ce ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance) replied :

394. (a) yes.

(b) Not known.

(c)— It is not a fact that the agent of the lucky ticket was Mr P. K. Dhar of Goalpara Town. The agent of the lucky ticket was M/S Lucky Corner of Gauhati, A criminal case has been registered by Goalpara Police U/s. 384/420 IPC on the basis of an Ejahar submitted by one Md. Altaf Hussain of Moukhoa Char, P. S. Baghbar, District Kamrup.

(d)—On the basis of information received from the S. D O., Goalpara, the payment of the prize mcney has been held up as it is reported that there is a dispute regarding ownership of the ticket and matter is under Police investigation.

Re :Creation of Public Health Engineering Division at Karimganj.

Shri NISHITH RANJAN DAS asked :

*395. Will the Minister of state, Health be pleased to state—

(a) Whether it is a fact that Government has proposed to creat one public Health Engineering Division at Karimganj vide Chief Public Health Engineer's letter No. PHE-21/BG/69/19834-41, dated 26th October 1978 ?

(b) If, so, when this division will start functioning ?

Dr. KOSHESWAR BORA (Minister of State Health ) replied :

395. (a) No proposal from Chief Public Health Engineer under his letter No. PHE-21/BG/6 /19834-41, dated, 26th October 1978 for creation of a public Health Engineering Division at Karimganj was received by the Government.

(b) Does not arise.

Re : Sterilisation during Emergency

Shri KHAGEN BORBARUAH asked :

*396. Will the Minister of state, Health be pleased to state—

(a) What was the total target of persons to be sterilised during Emergency and after it till to-day in the State of Assam? (District-wise figure may be shown).

(b) How many of them are sterilised Vasectomised?

(c) How many died as a result of sterilisation or lying invalid till to-day?

(d) Whether the affected families have been given compensation?

(e) If not, why?

Dr. Kosheswar Bora (Minister of State, Health) replied:

396. (a) No target was laid down for sterilisation during emergency. The year-wise targets allotted by Government of India for the whole State during 1975-76 till 1978-79 are shown below:

| Year | Target | Achievement |
|---|---|---|
| 1975-76 | 67,300 | 1,47,545 |
| 1976 77 | 1,70,000 | 2,26,161 |
| 1977-78 | 1,20,000 | 13,670 |
| 1978-79 | 88,100 | 18,964 |

upto January, 1979.

A statement showing the districtwise annual target and achievement is placed on the table of the House.

(b) 1976-77 1977-78 1978-79 upto January.

| | 1976-77 | 1977-78 | 1978-79 upto January |
|---|---|---|---|
| Male | 2,05,423 | 7,884 | 13,540 |
| Female | 20,738 | 5,786 | 5,424 |
| | 2,26,161 | 13,670 | 18,964 |

(c) So far, 18 cases of death due to sterilisation operation has been establised and none has become invalid.

(d) Yes, Ex-gratia relief of Rs. 5,000 has been granted to the legal heirs in 16 death cases so far.

Another two death cases are under process and ex-gratia grant of Rs. 5,000 each will be sanctioned shortly.

(e)—Does not arise.

বিষয় ঃ নেমুটেঙা জাব

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

*৩৯৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব'নে—

(ক) শিৱসাগৰ মহকুমাৰ থাওৱা বিধান সভা সমষ্টিৰ ভিতৰত থাওৰা মৌজাৰ ভিতৰত থকা পালেঙি অঞ্চলত 'নেমুটেঙ্গা জান' নামৰ এটা জান থকাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) এই জানটোৱেদি ডিৰৈৰ নদীৰ বানপানী আৰু ডিৰৈ নদীৰ কাষৰ পৰা ৰাজমাই চাহ বাগান আৰু এই বাগানৰ সমীপস্থ অঞ্চল সমূহেদি বৰষুণৰ পানী বাগৰি আহি পালেঙি ধুন্দৰমুখ, এৰাললতলী, ছেউনী, চৰগুৱা আদি অঞ্চলত খেতি পথাৰৰ বিস্তৰ খেতি নষ্ট কৰাটো জানেনে ?

(গ) যদি জানে, তেন্তে এই প্ৰতিবন্ধক পানীখিনি উলিয়াই দিয়াৰ বাবে ধাই আলিত এটা ডাঙৰ পুল অথবা অন্য ধৰণৰ উপযোগী ব্যৱস্থা লব পাৰিছেনে ?

(ঘ) যদি পাৰে, তেন্তে এই বছৰৰ খৰালি মাহতেই তেনে এটা কাৰ্য্য-কৰী ব্যৱস্থা হাতত লবনে ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৩৯৭। (ক) হয় জানে।

(খ)—নেমুটেঙা জানেৰে সোমোৱা ডিৰৈ নদীৰ ওভটনি পানী আৰু বৰষুণৰ পানী এক গোট হৈ এই অঞ্চলত আগতীয়া খেতি কৰাত কিছু অসুবিধাৰ সৃষ্টি কৰাটো জানো।

(গ)—এই আলিটো গড়কাপ্তানী বিভাগৰ অন্তৰ্গত হোৱা বাবে এই বিভাগে তাত পুল দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰে।

(ঘ)—প্ৰশ্ন নুঠে।

বিষয়ঃ মাজিৰ গাওঁৰ পৰা হুদুমপুৰলৈ লোৱা পথৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে:

*৩৯৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মাজিৰ গাওঁৰ পৰা হুদুম পূৰলৈ লোৱা পথটোৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ পাবৰ কাৰণে ক্ষতিগ্ৰস্ত লোকসকলে কিমান বাৰ আবেদন কৰিছে ?

(খ) এই কথা সচাঁনে উক্ত মাটিৰ ক্ষতিপূৰণ দিয়া সংক্ৰান্তত কাগজ পত্ৰ সমূহ ইটো কাৰ্য্যালয়ৰ পৰা সিটো কাৰ্য্যালয়লৈ আৰু সিটোৰ পৰা ইটো এশৰ অধিক বাৰ অহা-যোৱা কৰিছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৩৯৮। (ক) -- ক্ষতিপূৰণৰ টকা বিচাৰি পট্টাদাৰ সকলে যোৱা ৪।৩।৭৩, ২২।৯।৭৫ আৰু ২০।১০।৭৫ তাৰিখে উপায়ুক্তৰ ওচৰত দৰখাস্ত দিছিল বুলি জনা গৈছে।

(খ) অধিগ্ৰহণ গোচৰৰ কাকতপত্ৰ সমূহ যোৱা ২।৭।৭৭ তাৰিখে গড়কাপ্তানী বিভাগলৈ আৱশ্যকীয় অনুমোদন আৰু পূজি মঞ্জুৰীৰ বাবে উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা পঠিওৱা হৈছে।

বিষয়ঃ তেজপুৰ মহকুমাৰ জনজাতীয় উন্নয়ন ব্লক

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে:

*৩৯৯। মাননীয় জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাত কেইটা জনজাতীয় উন্নয়ন ব্লক গঠন কৰা হৈছে আৰু ব্লক কেইটা কি কি ?

(খ) জনজাতীয় ব্লকৰ অন্তৰ্ভুক্ত নোহোৱা জনজাতীয় লোকৰ উন্নতিৰ কাৰণে অন্য কিবা বিশেষ ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীৰমেশ মোহন কুলি (জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৯৯। (ক)—তেজপুৰ মহকুমাত দুটা জনজাতীয় সংখ্যা গৰিষ্ঠ এলাকালৈ এটা জনজাতীয় উন্নয়ন প্ৰকল্প (Integrated Tribal Development Project) গঠন কৰা হৈছে।

(খ) জনজাতীয় উন্নয়ন প্ৰকল্পত অন্তৰ্ভুক্ত নোহোৱা জনজাতীয় লোকৰ বাবে অনুন্নত সম্প্ৰদায়ৰ, কল্যাণমূলক আঁচনিত শিক্ষা অৰ্থনৈতিক উন্নতি আৰু স্বাস্থ্য শিতানত বিশেষ অৰ্থ সাহায্যৰ ব্যৱস্থা কৰা হৈছে।

বিষয় : বৰচহকী গাঁৱত ৰিলিং ইউনিত

শ্ৰীবুদ্ধ বৰুৱাই সুধিছে :

*৪০০। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মাহমৰা সমষ্টিৰ অন্তৰ্গত বৰচহকী গাঁৱত থকা একমাত্ৰ বিলিং ইউনিতটো বিদ্যুৎ শক্তিৰ দ্বাৰা চলোৱাৰ আঁচনি চৰকাৰে লৈছেনে?

(খ) যদি লোৱা নাই, তেন্তে এই বছৰতে এই আঁচনি গ্ৰহণ কৰি পাট-পলু সূতা কটা অসুবিধাখিনি দূৰ কৰিবনে?

শ্ৰীগান্ধীৰাম টিমুং (ৰেচম আৰু বয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪০০। (ক) — কোনো আঁচনি চৰকাৰে লোৱা নাই।

(খ)— চলিত বিত্তীয় বছৰত নতুনকৈ এনে আঁচনি লোৱাৰ সময় নাই।

বিষয় : ৰংচোৱাল বিজুলী চালিত জলসিঞ্চন প্ৰকল্পৰ নলা নিৰ্ম্মাণ

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৪০১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) ডিব্ৰুগড় ৰংচোৱাল বিজুলী চালিত জলসিঞ্চন প্ৰকল্পটোৰ নলা নিৰ্ম্মাণ কৰোতে কিমান টকা খৰচ হৈছে?

(খ) প্ৰতিবছৰে এই নলা বিলাক মেৰামতি কৰা হয় নেকি?

(গ) যদি হয়, প্ৰতি বছৰে কিমান টকা খৰছ হয়?

(ঘ) এই নিৰ্ম্মাণৰ কাম কাৰ যোগেদি কৰোৱা হৈছে?

শ্ৰীএ, এফ গোলাম ওচমানী (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪০১। (ক)— মুখ্য নলা (১৫৪৩ মিটাৰ পকা আৰু ১৯১৯ কেচা নলা) নিম্মা নিত আৰম্ভনীৰে পৰা ১৯৭৫-৭৬ চনলৈকে মুঠ ২৩,৫৪০ টকা খৰছ হয়।

(খ)— হয়।

(গ)— ১৯৭৬-৭৭ চনৰ পৰা এই খৰছ এনেভাবে হৈছে :—

১৯৭৬-৭৭ — ৪,৭৭২.০০ টকা
১৯৭৭-৭৮ — ৯,৪১৪.০০ টকা
১৯৭৮-৭৯ — ৫,৬৮৬.০০ টকা

ইয়াৰ বাহিৰেও ১৯৭৬-৭৭ চনত পকা নলাবিলাকৰ মজবুত কৰা কামত প্ৰায় ৩৩,৭৬৪ টকা খৰছ হয়।

(ঘ)— ইয়াত প্ৰধান কাম বিলাক বিভাগত পঞ্জীভূত ঠিকাদাৰৰ দ্বাৰা কৰোৱা হয়। পানীৰে যোগান ধৰোতে কৰিব লগীয়া মেৰামতি স্থানীয়ভাবে কেজুৱেল লেবাৰৰ দ্বাৰা কৰোৱা হয়।

### বিষয় ঃ জয়পুৰ বৈদ্যুত্তিক উত্তোলন জল সিঞ্চন প্ৰকল্প

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৪০২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্ৰুগড় ৰংচোৱাল জলসিঞ্চন প্ৰকল্পটো কোন চনৰ পৰা আৰম্ভ কৰা হৈছে ?

(খ) এই প্ৰকল্পটোৰ পৰা কিমান একৰ মাটিত পানী বিতৰণ হৈছে ?

(গ) এই প্ৰকল্পটো সম্প্ৰসাৰণ কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা কৰিছে নেকি ?

(ঘ) যদি কৰিছে কেতিয়াৰ পৰা কাম আৰম্ভ হব ?

শ্ৰীএ, এফ গোলাম ওচমানী (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪০২। (ক)— ১৯৭১-৭২ চনৰ পৰা জয়পুৰ বৈদ্যুতিক উত্তোলন জলসিঞ্চন প্ৰকল্পটোৰ কাম ৰংচোৱাল অঞ্চলত আৰম্ভ কৰা হয়।

(খ)— ৰাইজে বিচৰামতে তলত দিয়া পৰিমান মাটিত পানী বিতৰণ কৰা হৈছে।

| বছৰ | আহু | শালি |
|---|---|---|
| ১৯৭৪-৭৫ | ১৬.০৬ হেক্টৰ | ২:৫৩ হেক্টৰ |
| ১৯৭৫-৭৬ | ১৫.১৩ হেক্টৰ | ৬.২০ হেক্টৰ |
| ১৯৭৬-৭৭ | ৩৫.৪৬ হেক্টৰ | ৮.১৩ হেক্টৰ |
| ১৯৭৭-৭৮ | ২৩.৫০ হেক্টৰ | ৪৮.০০ হেক্টৰ |

ৰাইজে বিচাৰিলে প্ৰায় ৪৮ হেক্টৰ পৰিমানৰ মাটিত পানী দিব পৰা ব্যৱস্থা আছে।

(গ)—এই প্ৰকল্পটোৰ নলাবোৰ সম্প্ৰসাৰণ কৰি পকা লাইনিং কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ)— ইয়াৰ কাম আৰম্ভ কৰা হৈছে।

বিষয়ঃ যুটীয়া সচিব পদ

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে :

*৪০৩। মাননীয় অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম লোক সেৱা প্ৰথম শ্ৰেণী বিষয়া সংস্থাৰ প্ৰতিনিধি দলক যোৱা ইং ৪—৪—৭৭ তাৰিখে অসমৰ মুখ্য সচিবে অসম চৰকাৰৰ কিছু যুটীয়া সচিবৰ পদ অসম লোকসেৱাৰ জ্যেষ্ঠ বিষয়া সকলক দিয়া হব বুলি প্ৰতিশ্ৰুতি দিছিলনেকি।

(খ) যদি দিছিল ইমান দিনে কিয় কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

৪০৩। (ক) আৰু (খ)— অসম লোক সেৱাৰ প্ৰথম শ্ৰেণী বিষয়া সংস্থাৰ এটি প্ৰতিনিধি দ'লে যোৱা ইং ৪—৪—৭৭ তাৰিখে অসমৰ মুখ্য সচিবক লগ ধৰি তেওঁলোকৰ সংস্থাৰ আন আন দাবীবোৰৰ লগতে অসম চৰকাৰৰ কেইটামান যুটীয়া সচিবৰ পদ তেওঁলোকৰ সংস্থাৰ জেষ্ঠ বিষয়া সকলৰ বাবে চিহ্নিত কৰি ৰাখিবলৈ অনুৰোধ কৰে। মুখ্য সচিবে তেতিয়া বিষয়টো চৰকাৰে বিবেচনা কৰি চাব বুলি সন্মত হয়। বিষয়টো চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

বিষয়: Assam Agricultural produce Market Act

শ্ৰীশূল বৰাই সুধিছে:

*৪০৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৫ চনত Assam Agricultural Produce Market Aet এখন বলবৎ কৰা হৈছে নেকি?

(খ) যদি হৈছিল, তেন্তে এই আইনৰ সন্দৰ্ভত ইয়াৰ Rules তৈয়াৰ কৰি কাৰ্য্যকৰী ব্যৱস্থাৰ বাবে আগবঢ়োৱা হল নেকি ?

(গ) লক্ষীমপুৰ আৰু গোলাঘাটত Market Committee গঠনৰ ক্ষেত্ৰত কি ব্যৱস্থা কৰা হল ?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে :

৪০৪। (ক)—১৯৭৫ চনত এনে আইন প্ৰণয়ন হোৱা নাই । ১৯৭২ চনত Assam Agricultural Produce Market Act প্ৰণয়ন কৰা হৈছে । ১৯৭৭ চনৰ ১৫ জুন তাৰিখৰ পৰা উক্ত আইনখন বলবৎ কৰা হৈছে।

(খ)—এই আইনৰ অন্তৰ্গত Rules খচৰা ১৯৭৭ চনৰ ১০ জুলাই তাৰিখে চৰকাৰী জাননীত প্ৰকাশ কৰা হয় । নিয়মাৱলীখন কাৰ্য্যকৰী ব্যৱস্থাৰ বাবে বিধান সভাত যোৱা ২৪।৩।৭৯ তাৰিখে দাখিল কৰা হৈছে ।

(গ)— লক্ষীমপুৰ আৰু গোলাঘাটৰ বজাৰ কমিটি দুখন গঠন কৰিবলৈ যথাযথ ব্যৱস্থা হাতত লোৱা হৈছে ।

বিষয় ঃ বাইহাটা চাৰিআলিত গ্ৰাম্য বৈদ্যুতিক্ৰণ উপসংমণ্ডলৰ কাৰ্য্যালয়

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে :

*৪০৫ । মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) বাইহাটা চাৰিআলিত গ্ৰাম্য বৈদ্যুতি কৰণৰ উপসংমণ্ডলৰ কাৰ্য্যালয় আৰম্ভ হব নেকি ?

(খ) বৰ্ত্তমান কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰী এ, এফ, গোলাম ওচমানী (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪০৫। (ক)—বৰ্ত্তমান তেনে কোনো প্ৰস্তাৱ নাই ।

(খ)—বৰ্ত্তমান ৰঙিয়া গ্ৰাম্য বৈদ্যুতিকৰণ উপসংমণ্ডলৰ (Rangiya R. E. Construction sub-division) দ্বাৰা কাম কাজ পৰিচালিত কৰা হৈছে ।

## SHORT NOTICE

## QUESTION AND ANSWERS

Date : 29th March, 1979

বিষয় : ভূৰা গাঁৱৰ পৰা হিলৈখুন্দালৈকে মথাউৰি

শ্ৰীআবুল কাচেমে সুধিছে :

৬। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ধিং-হিলৈখুন্দা বাকী থকা মথাউৰি অৰ্থাৎ ভূৰা গাঁৱৰ পৰা হিলৈখুন্দালৈকে মথাউৰি ১৯৭৯-৮০ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হবনে ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬। বিবেচনাধীন হৈ আছে ।

শ্ৰীআবুল কাচেম :— মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ধিং-হিলৈখুন্দা বাকী থকা মথাউৰি অৰ্থাৎ ভূৰা গাঁৱৰ পৰা হিলৈ খুন্দা-লৈকে মথাউৰি ১৯৭৯-৮০ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হবনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :—বিবেচনাধীন হৈ আছে ।

শ্ৰীআবুল কাচেম :— উপাধ্যক্ষ মহোদয়, মই অপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই প্ৰজেক্টটোৰ কথা প্লেনিং কমি-ছনত প্লেচ কৰা হৈছিল আৰু প্লেনিং কমিছনাৰে ক্লিয়াৰেন্স দিয়া নাই । অহা বিত্তীয় বছৰৰ ভিতৰত যি ৬০ কিলোমিটাৰ মথাউৰি কৰাৰ কথা আছে তাৰ ভিতৰত এই মথাউৰিটো সোমাই লোৱা হৈছে নেকি ? যোৱা বাজেট অধিবেশনতো মই এই প্ৰশ্নটো কৰোঁতে বান নিয়ন্ত্ৰণ মন্ত্ৰী অনুপস্থিত থকাৰ কাৰণে পাৰ্লিয়ামেণ্টৰী মন্ত্ৰীয়ে কৈছিল যে এই বিত্তীয় বছৰতে কৰা হব বুলি তেখেতে আশ্বাস দিছিল । তেখেতৰ এই আশ্বাসৰ কথা জানেনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— মই ৰেকৰ্ডৰ পৰা কৈছো যে প্লেনিং কমিচনলৈ যোৱা আগতে চেণ্ট্ৰেল ৱাটাৰ কমিচনে স্ক্ৰুটিনি কৰিব লাগে । তাৰ পৰা প্লেন এষ্টিমেট গৈছে । আৰু সেইমতে ২৬ কিলোমিটাৰ দীঘল ভূৰা গাওঁৰ পৰা হিলৈখুন্দালৈকে এষ্টিমেট আছে ২ কোটি ৬৩ লাখ টকাৰ । সেইমতে চেণ্ট্ৰেল ৱাটাৰ কমিচনে এই প্ৰশ্নটো অৱতাৰনা কৰোতে ৫০ বছৰৰ বানৰ লেভেল বিচাৰিছে লগতে এংবেংকমেণ্ট চেকচন, এলাইনমেণ্ট, লেগু যকুইজিচন, এক্সপ্লোৰেচন অৱ চইস ফ'ৰ ষ্টেবিলিটি অৱ ডাইক, এইবিলাক বস্তু বিচাৰিছে । এইবিলাক ১৯১০ চনৰ বান লেভেলৰ পৰাই ৬টা সংগ্ৰহ কৰিবলৈ দিছে যদিও আমি ডাটাবিলাক

সংগ্ৰহ কৰি শেষ কৰিব পৰা নাই। সেই কাৰণে এই বস্তুটো পৰি আছে। আনহাতে চেণ্ট্ৰেল ৱাটাৰ কমিচনে এটা আঁচনি দিছে সেইটো হৈছে বেক ৱাটাৰ এমবেংকমেণ্ট এলো' আৰ, বি, অৱ কলং টু চেফ দি বেনিফিটেড এৰিয়া ফ্ৰম স্পীল অৱ ব্ৰহ্মপুত্ৰ ৱাটাৰ থ্ৰু কলং। এই বিলাক কাৰণতেই মথাউৰিটো ৰেইজ্জ কৰি কৰা হব নে নহয় এইটো পৰীক্ষাধীন হৈ আছে।

শ্ৰীআবুল কাচেম :— মই জানিব বিচাৰিছো যে যোৱা বাজেট অধিবেশনত আপোনাৰ অনুপস্থিতিত সংসদী মন্ত্ৰী মহোদয়ে যি আশ্বাস দিছিল যে এই বিত্তীয় বছৰৰ ভিতৰতে এই মথাউৰিটো কৰা হব। এই সম্পৰ্কত তেখেতে কি কয়?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— তেখেতে এটা আশা ৰাখি কৈছিল। এইটো এতিয়াও ঠিক হোৱা নাই।

শ্ৰীআবুল কাচেম :— ৬০ কিলোমিটাৰ যি ৰাস্তা কৰা হব তাৰ ভিতৰত এই ২৬ কিলোমিটাৰো ধৰি লবনেকি?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :—এই মথাউৰিটো কৰাৰ ক্ষেত্ৰত কিছুমান টেকনিকেল অসুবিধা আছে। সেই বিলাক পৰাধীন হৈ আছে। সেই কাৰণেই এইটো ইয়াৰ ভিতৰত পৰা নাই।

শ্ৰীআবুল কাচেম :— এই যিবিলাক তথ্য বিচাৰিছে সেইবিলাক সংগ্ৰহ কৰি থাকোতেই এই বিত্তীয় বছৰটো পাৰ হৈ যাব নেকি?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— পাৰ হৈ যাবও পাৰে।

শ্ৰীনজমুল হক :— এই বাৰ ই এণ্ড ডি বিভাগে কিছুমান টকা চাৰেণ্ডাৰ কৰিছে। এই চাৰেণ্ডাৰ কৰা টকাৰ অংকটো কিমান জনাবনে?

শ্ৰীৰমেশ মোহন কুলি :— এইটো বেলেগ প্ৰশ্ন।

Short Notice Question No. 7 was not put, the member being absent.

UNSTARRED

QUESTION AND ANSWERS

Date : 29th March 1979

(To which answers were laid on the table)

বিষয় ঃ জাউৰীমাৰী কৃষি সহায়ক সমবায় সমিতি

শ্ৰীএম ইব্ৰাহিম আলীয়ে সুধিছে ঃ—

৩৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ ককি জনাবনে—

(ক) বৰপেটা মহকুমাৰ ময়নবৰী গাওঁ পঞ্চায়ত এলেকাত 'জাউৰীমাৰী কৃষি সহায়ক সমবায় সমিতি'খন কোন চনত আৰু কিমান অংশীদাৰ (সভ্য) লৈ পঞ্জীয়ন কৰা হৈছিল আৰু মূলধন কিমান ?

(খ) উক্ত সমিতি খনৰ বৰ্ত্তমান অৱস্থাৰ এটি চমু আভাস চৰকাৰে দিবনে ?

(গ) উক্ত সমিতিখন পুনৰ গঠন কৰি দৰিদ্ৰ কৃষিজীৱি লোকৰ উন্নতি কল্লে যাৱতীয় ব্যৱস্থা চৰকাৰে লবনে ?

(ঘ) যদি লয়, কি ধৰণৰ কাৰ্য্য ব্যৱস্থা আৰু কেতিয়া লোৱা হব।

শ্ৰী সানেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৫। (ক)— ১৯৬৩ চনত ৫৩ জন অংশীদাৰ লৈ পঞ্জীয়ন কৰা হৈছিল আৰু অংশ প্ৰাপ্ত মূলধন ১০০ টকা আছিল ।

(খ)— বৰ্ত্তমান সমিতিখন অচল অৱস্থাত আছেঁ আৰু যিহেতু পুনৰ গঠন আঁচনি অনুযায়ী সমিতি খনৰ এলেকাত গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি গঠন হৈছে, সেই হেতুকে সমিতি খন অৱসায়নত (লিকুইডেচন) দিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে ।

(গ)—প্ৰশ্ন নুঠে ।

(ঘ)—প্ৰশ্ন নুঠে ।

## RE: LAND CEILING APPEAL CASES IN KOKRAJHAR SUBDIVISION

Shri Mathias Tudu asked :

36. Will the Minister, Revenue be pleased to state—

(a) The number of land ceilling appeal cases received from Kokrajhar Suddivision during 1977-78 and 1978-79 ?

(b) The number of such cases already disposed of ?

(c) Whether the Government Will dispose all such cases at an early date ?

Shri Lakheswar Gohain (Minister, Revenue) replied:

36. (a)— 131 land ceiling cases received from Kokrajher Subdivision in the year 1977-78 and 1978-79 (upto February, 19 9) for re-consideration.

(b)— Out of these, 82 Nos. ceiling cases have already been disposed of ;

(c)— Necessary steps are being taken to dispose of all the ceiling cases as early as possible.

Mr. Deputy Speaker—Hon'ble member, it is my unpleasant duty to infrom the House of the sad demise of Shri Hiralal Patwary, M. P. and former member of the Assam Legislative Assembly.

Shri Hiralal Patwary was born at Dabra, Nagpur District of Rajasthan in 1914. He devoted his life for the welfare of the primary teachers. He was the President of the Assam Primary Teachers' Association from, 1957-68 and all India Primary Teachers' Federation from 1961-72. He was also the President of the Rastriya Gram Panchayat Karmi Sangha since 1960, Assam Gaon Bura Village Leaders' Association, Mangaldai Zila Parisad, Darrang Kisan Sangha and Rastriya Kisan Samiti. He was a member of the Assam Legislative Assembly from 1957-62 and 1967-72 and

was the Chief whip of the Opposition in the Assam Lgislative Assembly. He was elected for the first time to Lok Sabha frme Mangaldai Constituency in 1977 and continued as such till his death. He was closely connected with various educational institutions of Tangla. This popular Leader of Assam passed away on 28th March; 1979 at the Dr. Ram Manohar Lohia Hospital, New Dilhi. He was 66.

We deeply mourn the loss of the prominent popular leader of Assam and I am sure the House will join me in conveying our condolence to the members of the bereaved family.

The House may stand in silence for two minutes and pray for the entarnal peace of the departed soul.

(Two minutes silence were obseved.)

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মই মাননীয় সদস্যসকলক এটা কথা জনাব বিচাৰিছো যে স্বৰ্গীয় হীৰালাল পাটোৱাৰীৰ ডেড্ বোডীটো ২২৯ ফ্লাইটত বৰঝাৰ ১১ বজাত পাবহি লাগে। তাৰ পিচত তেখেতৰ ডেড্ বোডীটো বিধান সভাৰ সন্মুখলৈ অনা হব। মই মাননীয় সদস্য সকলক সেই সময়ত উপস্থিত থাকি তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ অনুৰোধ জনালো।

Mr. Deputy Speaker :— As a mark of respect to the depurted soul, the House now stands adjourned till 9 A. M. tomorrow, the 30th March, 19 9.

## ADJOURNMENT

The House then rose at 11. 10. A. M. and stood adjourned till 9 A. M. on Friday, the 30th March, 1979.

Dispur :
the 29th March, 1979.

P. D. BARUA,
Secretary,
Assam Legislative Assembly